# Tutor Marked Assignment
## বিষয়ঃ অসমীয়া (২২৮)

মুঠ নম্বৰঃ ২০

(টোকাঃ প্ৰশ্ন কাকতত দিয়া সকলোবোৰ প্ৰশ্নৰ উত্তৰ কৰাটো বাধ্যতামূলক। প্ৰশ্নৰ সোঁহাতে প্ৰশ্নবোৰৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ সমূহ দিয়া হৈছে।)

---

১। তলৰ যিকোলো এটা প্ৰশ্নৰ উত্তৰ ৪০ৰ পৰা ৬০টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। ২

ক) "তুলাৰামৰ অন্তৰত দেখা দিলে বংশ মৰ্যাদা আৰু পূৰ্ব-পুৰুষ সকলৰ স্মৃতিওঁ"- এই উক্তিৰ মাজত সোমাই থকা কথাখিনি লিখা। (দ্বিতীয় ভাগ, পাঠ-১৯)

খ) ভাৰতীয় সভ্যতাৰ লগত আমেৰিকাৰ সভ্যতাৰ প্ৰভেদ ক'ত? (প্ৰথম ভাগ, পাঠ-৩)

২। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০ৰ পৰা ৬০টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। ২

ক) ইংৰাজৰ হঠকাৰিতাই আহোম সকলৰ অভিজাত শ্ৰেণীৰ লোকসকলৰ মনত কি ভাৱৰ জন্ম দিছিল? (প্ৰথম ভাগ; পাঠ-১১)

খ) কম্পিউটাৰৰ মূল ভাগ কেইটা আৰু কি কি চমুকৈ লিখা। (দ্বিতীয় ভাগ পাঠ -২৮)

৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০ৰ পৰা ৬০টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। 2

ক) সমাজত কি কি বিষয়ৰ ক্ষেত্ৰত অতীতৰ পৰা ভেদাভেদৰ সৃষ্টি হৈ আহিছে আৰু সেই ভেদাভেদ দূৰ কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? (দ্বিতীয় ভাগ পাঠ -২৮)

খ) শৰতৰ সাগৰৰ এটা বৰ্ণনা দিয়া। (দ্বিতীয় ভাগ পাঠ -৩৩)

৪। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ১০০-ৰ পৰা ১৫০ টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। ৪

ক) প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।
"নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হৈছে।" (প্ৰথম ভাগ পাঠ-৭)

খ) অৰুণোদয় পথৰ দুৰৱস্থাৰ এটি বৰ্ণনা দিয়া। (প্ৰথম ভাগ পাঠ -৪)

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ১০০ৰ পৰা ১৫০ টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। ৪

ক) "কেতেকী" কথা কবিতাটোৰ মূলভাৱখিনি তোমাৰ ভাষাত লিখা।

(প্ৰথম ভাগ পাঠ - ১৫)

খ) "খৰাং বতৰ, বানপানী আৰু অসম" পাঠটিৰ সহায়ত অসমত বানপানী হোৱাৰ কাৰণ সমূহ ব্যাখ্যা কৰা। (দ্বিতীয় ভাগ,পাঠ -২৭)

৬। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৩০০ৰ পৰা ৩৫০টা শব্দৰ ভিতৰত হোৱাকৈ লিখা। ৬

ক) তোমাৰ অঞ্চলৰ খোৱাপানীৰ অভাৱ দূৰীকৰণৰ বাবে বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা।

(দ্বিতীয় ভাগ, পাঠ - ২৫)

খ) ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্পৰ্কে এটি আলোচনা কৰা।

(প্ৰথম ভাগ, পাঠ ১১)

*****

# ব্যৱসায়িক অধ্যয়ন (২১৫)

## শিক্ষক অংকিত মূল্যায়ন পত্ৰ

**মুঠ নম্বৰ: ২০**

**টোকা:**

(i) সকলো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ প্ৰশ্নবোৰৰ কাষতে দিয়া হৈছে।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাৰ ওপৰত আপোনাৰ নাম , ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট ভাৱে লিখিব।

**১। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২**

ক) “পৰিবহণ বাণিজ্যৰ বাবে এটা সহায়ক”। এই বক্তব্যটো নিজৰ ভাষাত বুজাই দিয়ক। (পাঠ–৫ চাওক)

(খ) শ্ৰীমতী শ্বাবিনাই গধুৰ সামগ্ৰী, আৰু যন্ত্ৰপাতিৰ ব্যৱসায় চলাই আছে আৰু তেওঁ নিজৰ ব্যৱসায় বিভিন্ন ৰাজ্যলৈ সম্প্ৰসাৰণ কৰিবলৈ বিচাৰে। এই সন্দৰ্ভত তেওঁক আটাইতকৈ উপযুক্ত পৰিবহণ পদ্ধতি বিষয়ে অৱগত কৰি ইয়াৰ উপযোগিতা সমূহ বুজাই দিয়ক। (পাঠ–৫ চাওক)

**2. তলত তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২**

(ক) এবিচি কোম্পানীয়ে ৰোমানিয়ালৈ সঘনাই সামগ্ৰী প্ৰেৰণ কৰে। ৰোমানিয়াত সামগ্ৰী সংৰক্ষণৰ বাবে এটা গুদাম আছে য'ত স্থানীয় গ্ৰাহকক বিক্ৰী কৰিব লগীয়া সামগ্ৰী মজুত ৰখা হয়। ৰোমানিয়াত প্ৰৱেশ কৰাৰ লগে লগে এবিচি কোম্পানীয়ে সীমা শুল্ক আদায় দিব লগা হয়।সীমা শুল্ক পৰিশোধৰ সৈতে কেনে ধৰণৰ গুদাম সম্বন্ধিত তাক বুজাই দিয়ক। (পাঠ–৬ চাওক)

খ) আপোনাৰ কোন এক বন্ধুৱে বেলেগ ৰাজ্যত বাস কৰা ককাক–আইতাকক টকা হস্তান্তৰ কৰিব বিচাৰে। টকাখিনি হস্তান্তৰ কৰাৰ বাবে তেওঁৰ হাতত কি কি বিভিন্ন উপায় আছে? (পাঠ–৮ চাওক)

**৩. যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২**

ক) "ব্যক্তিগত অপাৰেটৰ"সকলেও কুৰিয়ৰ সেৱা আগবঢ়ায়। যিকোনো দুটা অপাৰেটৰৰ নাম দিয়ক, লগতে ব্যক্তিগত অপাৰেটৰ, আৰু ডাকঘৰৰ কুৰিয়ৰ সেৱাৰ মাজৰ যিকোনো দুটা ডাঙৰ পাৰ্থক্য। (পাঠ–৮ চাওক)

খ) কেপিঅ' হৈছে মূল্য শৃংখলত বিপিঅ'ৰ উৰ্ধমুখী পৰিৱৰ্তন। এই বক্তব্যত আপুনি একমত নেকি? মন্তব্য আগবঢ়াওক।(পাঠ–১১ চাওক)

**৪।. যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক। ৪**

ক) সকলো ব্যৱসায়িক উদ্যোগ প্ৰতিস্থান ক্ৰয়-বিক্ৰয়ত নিয়োজিত হৈ থাকে। বিক্ৰী আৰু ক্ৰয়ৰ ধাৰণাক উদাহৰণ দি নিজৰ শব্দৰে বুজাই দিয়ক, (পাঠ–১২ চাওক)

খ) মিষ্টাৰ ৰাকেশে নিজৰ জীৱনত এজন সফল বিক্ৰেতা হ'ব বিচাৰে। তেওঁক কিছুমান সাধাৰণ গুণ বুজাই দিয়ক যিবোৰৰ অধিকাৰী প্ৰতিজন বিক্ৰেতা হ'ব লাগে। (পাঠ–১৬ চাওক)

**৫। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক। ৪**

(ক) কৌশিক ডাঙৰীয়াই বৃহৎ পৰিসৰৰ ক্ষুদ্ৰ ব্যৱসায় চলাব বিচাৰে; য'ত একক অট্টালিকাত বিভিন্ন ধৰণৰ সামগ্ৰী বিস্তৃত ধৰণে বিক্ৰী কৰিব পাৰি। এনেকুৱা ভাণ্ডাৰৰ প্ৰকাৰসমূহ উদাহৰনসহ বাখ্যা কৰা । ( পাঠ: ১৪)

(খ) আপুনি জানে যে সামগ্ৰীৰ যোগানৰ অভাৱত বজাৰত ইয়াৰ মূল্য বৃদ্ধি হ'ব পাৰে। আকৌ, অতিৰিক্ত উৎপাদন আৰু যোগানৰ ফলতো সামগ্ৰীৰ মূল্য হ্ৰাস পাব পাৰে। বজাৰ এখনত সামগ্ৰীৰ মূল্যৰ যুক্তিসংগত স্তৰ কেনেকৈ বজাই ৰাখিব পাৰি সেই বিষয়ে বিশ্লেষণ কৰা। (পাঠ–৬ চাওক) ।

**৬. তলত দিয়া প্ৰকল্পসমূহৰ ভিতৰত যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰক। ৬**

(ক) শ্ৰীমতী কথগই এখন গেলামালৰ দোকান চলাই আছে, আৰু তেওঁৰ দোকানৰ সামগ্ৰীৰ বিক্ৰী বৃদ্ধি কৰিব বিচাৰে। আপুনি ভাবেনে যে সামগ্ৰীৰ বিক্ৰী বৃদ্ধি কৰাত বিক্ৰীৰ প্ৰচাৰ গুৰুত্বপূৰ্ণ? যদি হয় বুজাই দিয়ক। (পাঠ–১৬ চাওক)

খ) যিকোনো এটা বাতৰি কাকত পঢ়ক আৰু ইন্টাৰনেটৰ জৰিয়তে বিক্ৰী কৰা সামগ্ৰীৰ বিষয়ে লেখা, আৰু বিজ্ঞাপনৰ বিষয়ে অধ্যয়ন কৰক। ইন্টাৰনেট বজাৰ কৰাৰ সুবিধা আৰু অসুবিধাসমূহ উল্লেখ কৰক। (পাঠ–১৬ চাওক)

# গৃহ বিজ্ঞান (২১৬)

## শিক্ষক অংকিত মূল্যায়ন পত্ৰ

**মুঠ নম্বৰ: 20**

**টোকা :**

(i)সকলো প্ৰশ্নৰে উত্তৰ বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ প্ৰশ্নবোৰৰ কাষতে দিয়া হৈছে।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাৰ ওপৰত আপোনাৰ নাম, নামভৰ্ত্তিৰ নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্টকৈ উল্লেখ কৰিব।

১. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০-৬০ শব্দত দিয়ক। ২

(ক) আমি সচৰাচৰ কওঁ যে 'স্বাস্থ্যই সম্পদ।' সুস্বাস্থ্যৰ মহত্বৰ বিষয়ে দুটা কাৰণ উল্লেখ কৰি ইয়াৰ ন্যায্যতা প্ৰদান কৰক। (৭ নং পাঠ চাওক)

(খ) আপুনি সামাজিক স্বাস্থ্যক সুস্বাস্থ্যৰ এক গুৰুত্বপূৰ্ণ দিশ বুলি ভাবেনে? ভাল সামাজিক স্বাস্থ্য প্ৰতিফলিত কৰা বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (৭ নং পাঠ চাওক)

২. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০-৬০ শব্দত দিয়ক। ২

(ক)আপোনাৰ ঘৰটো ভালদৰে পৰীক্ষা কৰক আৰু দুটা সম্ভাব্য অঞ্চল চিনাক্ত কৰক য'ত দুৰ্ঘটনা হ'ব পাৰে। (১৩ নং পাঠ চাওক)

(খ)ৰন্ধা-বঢ়াৰ সময়ত কাপোৰত জুই লাগি যোৱাৰ দুৰ্ঘটনা সঘনাই সংঘটিত হয়। এনে দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ যিকোনো দুটা উপযুক্ত উপায় উল্লেখ কৰক। (১৩ নং পাঠ চাওক)

৩.তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০-৬০ টা শব্দত দিয়ক। ২

(ক) শিশু ৰন্নাৰ বয়স ৮ মাহ। তাইৰ এই বয়সৰ এটা কাৰ্য্যকলাপ উল্লেখ কৰক যিটো পৰিপক্কতাৰ বাবে সংঘটিত হয়, আৰু অন্য এটা কাৰ্য্যকলাপ উল্লেখ কৰক যিটো শিক্ষণৰ বাবে হ'ব পাৰে। (১৮ নং পাঠ চাওক)

(খ) উত্তৰাধিকাৰী সূত্ৰে পোৱা দুটা বৈশিষ্ট্য তালিকাভুক্ত কৰক, আৰু আপুনি পৰিৱেশৰ পৰা শিকি অহা দুটা বৈশিষ্ট্য তালিকাভুক্ত কৰক। (১৮ নং পাঠ চাওক)

৪. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দত দিয়ক। ৪

(ক) আঁহসমূহ প্ৰত্যক্ষ কৰি আৰু স্পৰ্শ কৰি সেইসমূহ চিনাক্ত কৰিব পৰা যায়। এখন তালিকা প্ৰস্তুত কৰক য'ত তলত দিয়া আঁহ সমূহ স্পৰ্শ কৰি চিনিব পাৰি। এটা টেবুল বনাওক আৰু তলত দিয়া আঁহবোৰৰ ৰূপ, স্পৰ্শ আৰু যন্ত্ৰৰ তালিকা প্ৰস্তুত কৰক।

কপাহ

ঊল

ৰেশম

নাইলন

(খ) বয়ন কি? বয়নৰ দুটা বৈশিষ্ট্য লিখা। কোনবোৰ কাপোৰৰ বয়ন ঊণৰ বয়নৰ পৰা কেনেকৈ পৃথক তাক স্পষ্টকৈ লিখক। (১০ নং পাঠ চাওক)

৫। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দত দিয়ক। ৪

(ক)মানৱ সম্পদ অমানৱ সম্পদৰ পৰা কেনেকৈ পৃথক? আপোনাৰ হাতত থকা দুটা মানৱ আৰু অমানৱ সম্পদৰ তালিকাভুক্ত কৰক। সম্পদসমূহ কেনেকৈ কুশলতাৰে ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে আপোনাৰ বন্ধুক দুটা কৌশল জনাওক? (পাঠ-১৪ চাওক)

(খ)আপুনি আপোনাৰ পৰিয়ালটোৰ বাবে এটা পাহাৰীয়া ষ্টেচনলৈ ভ্ৰমণৰ পৰিকল্পনা কৰিব লগা হৈছে । ব্যৱস্থাপনাৰ চাৰিটা পৰ্যায় ব্যৱহাৰ কৰি আপোনাৰ কাৰ্যসূচীৰ তালিকা এখন প্ৰস্তুত কৰক। (পাঠ-১৪ চাওক)

৬ তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৫০০ শব্দৰ ভিতৰত লিখক । ৬

(ক) তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দি আপোনাৰ জীৱনত খাদ্যৰ গুৰুত্বৰ বিষয়ে লিখক।

(i) জীৱনটোক বৰ্তাই ৰাখিবলৈ খাদ্যৰ যিকোনো দুটা গুৰুত্বপূৰ্ণ কাৰ্য্য উল্লেখ কৰক লগতে যিকোনো দুটা ব্যাপক পুষ্টিকৰ তত্বৰ বৈশিষ্ট্য বিষয়ে লিখক যি আমাৰ শৰীৰৰ বাবে অপৰিহাৰ্য ।

(ii) দিনটোত পাঁচটা খাদ্য গোটৰ আহাৰ ব্যৱহাৰ কৰি নিজৰ বাবে এদিনীয়া খাদ্য পৰিকল্পনা প্ৰস্তুত কৰক। (পাঠ ২ আৰু ৩ চাওক)

(খ) 0ৰ পৰা ৫ বছৰ বয়সৰ শিশুক পৰ্যবেক্ষণ কৰক

(i) শিশুটিৰ শাৰীৰিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি আপুনি অনুভৱ কৰা যিকোনো চাৰিটা কাৰকৰ প্ৰভাৱৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰক।

(ii) আপোনাৰ মতে ব্যক্তিগত পাৰ্থক্য সৃষ্টি কৰাৰ বাবে কোনটো অধিক গুৰুত্বপূৰ্ণ, বংশগতি নে পৰিৱেশ? উদাহৰণ সহকাৰে বুজাই লিখক।

(পাঠ-১৮ চাওক)

# মনোবিজ্ঞান (২২২)

## শিক্ষক অংকিত মূল্যায়ন পত্ৰ

**মুঠ নম্বৰ: ২০**

**টোকা:** (ক) সকলো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ প্ৰশ্নবোৰৰ কাষতে দিয়া হৈছে।

(খ) উত্তৰ পুস্তিকাৰ প্ৰথম পৃষ্ঠাৰ ওপৰত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্টভাৱে উল্লেখ কৰক।

**১। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ টা শব্দত দিয়ক। ২**

(ক) বিভিন্ন কাৰকে বিকাশত প্ৰভাৱ পেলায়। এজন ব্যক্তিৰ সামগ্ৰিক বিকাশত প্ৰভাৱ পেলোৱা অন্ততঃ দুটা কাৰকৰ বৰ্ণনা কৰা। (৯ নং পাঠ চাওক)

(খ) দৰিদ্ৰতা প্ৰায় প্ৰতিখন সমাজৰ বাবেই অন্যতম প্ৰধান চিন্তাৰ বিষয় কাৰণ ইয়াৰ কিছুমান ভয়ংকৰ পৰিণতি আছে। এখন সমাজত বিদ্যমান বিভিন্ন ধৰণৰ দৰিদ্ৰতাৰ ওপৰত দৃষ্টিপাত কৰক। (১৬ নং পাঠ চাওক)

**২। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ টা শব্দত দিয়ক। ২**

(ক) জীৱনৰ কোনো ক্ষেত্ৰ নাই য'ত যোগৰ প্ৰাসংগিকতা নাই। জীৱনৰ বিভিন্ন ক্ষেত্ৰত যোগৰ প্ৰয়োগ চিহ্নিত কৰক । (পাঠ–২৫ চাওক)

(খ) আপোনাৰ চৌপাশত থকা বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা স্থানীয় / ৰাজ্যিক / ৰাষ্ট্ৰীয় পৰ্য্যায়ত পৰিচালিত প্ৰতিষ্ঠানসমূহ চিনাক্ত কৰক আৰু তলত দিয়া তালিকাত শ্ৰেণীভুক্ত কৰক। (পাঠ ২১ চাওক)

| ক্রমিক নং | প্রতিষ্ঠানৰ প্ৰকাৰ | স্থানীয | ৰাজ্য | ৰাষ্ট্ৰীয় |
|---|---|---|---|---|
| ১ | পলিটেকনিক | | | |
| ২ | পত্ৰ পত্ৰিকা প্ৰতিষ্ঠান | | | |
| ৩ | পেছাদাৰী প্ৰতিষ্ঠান | | | |
| ৪ | ক্ৰাফ্ট প্ৰশিক্ষণ বিদ্যালয় | | | |
| ৫ | বাণিজ্যিক প্ৰতিষ্ঠান | | | |
| ৬ | বিশেষ প্ৰতিষ্ঠান | | | |

**২. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২**

(ক) পতঞ্জলিয়ে যোগৰ আঠটা সূত্ৰক যোগৰ আভ্যন্তৰীণ আৰু বাহ্যিক সহায়ক হিচাপে ভাগ কৰিছিল। যোগৰ আভ্যন্তৰীণ আৰু বাহ্যিক সহায়কসমূহ চিনাক্ত কৰা। (২৫ নং পাঠ চাওক)

(খ) আৱেগবোৰ এটা ধাৰাবাহিকতাৰ দৰে। আমি জীৱনত ইতিবাচক আৰু নেতিবাচক আৱেগৰ মাজেৰে পাৰ হৈ যাওঁ। কিন্তু ইতিবাচক আৱেগবোৰহে আমাৰ অধিক বাঞ্চনীয়। আমি ইতিবাচক আৱেগৰ কামনা কিয় কৰোঁ সেই কথা যুক্তিসহকাৰে বুজাই দিয়ক। (১৭ নং পাঠ চাওক)

**৪। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক। ৪**

(ক) "মানুহ হিচাপে আমাৰ কৌতুহলে আমাক আমাৰ চাৰিওফালে ঘটি থকা বিভিন্ন পৰিঘটনাৰ আঁৰৰ কাৰণ জানিবলৈ প্ৰেৰণা দিয়ে।" দৈনন্দিন জীৱনৰ উদাহৰণ ব্যৱহাৰ কৰি বুজাওক যে মনোবিজ্ঞানক সাধাৰণ মানুহৰ আচৰণৰ বোধগম্যতাৰ পৰা কিহে পৃথক কৰি তোলে? (পাঠ ১ চাওক)

(খ) “সৃজনশীলতা হৈছে পৃথিৱীৰ সকলো উদ্ভাৱন আৰু আৱিষ্কাৰৰ মাতৃ”। “আৰ্কিমেডিছ নীতি”ৰ কাহিনীটো অন্বেষণ কৰক, আৰু এই উদ্ভাৱনত সৃজনীশীলতাৰ পৰ্যায়সমূহ চিনাক্ত কৰক।

**৫। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক।     ৫**

আপুনি অন্তৰ্ভুক্ত হৈ থকা গোটসমূহ চিনাক্ত কৰক, আৰু এই গোটসমূহৰ এখন তালিকা বনাওক। এই গোটসমূহ ইটোৱে সিটোৰ পৰা কেনেকৈ পৃথক, আৰু এই গোটসমূহৰ সদস্য হিচাপে আপোনাৰ অৱদান এই প্ৰতিটো গোটতে কেনেকৈ বেলেগ বেলেগ সেই বিষয়ে ব্যাখ্যা কৰক। (১৩ নং পাঠ চাওক)

(খ) আমাৰ শৰীৰ আৰু মন এটা সামগ্ৰিকতাৰ দুটা অংশ। শৰীৰ সুস্থ হ'লে মনটোও উজ্বল, সজাগ, উৎসাহী হৈ থাকে। ঠিক তেনেদৰে মন সুস্থ হৈ থাকিলে শৰীৰ কৰ্মক্ষম আৰু সক্ৰিয় হৈ থাকে। মন আৰু শৰীৰৰ সম্পৰ্কৰ প্ৰকৃতিৰ ওপৰত মন্তব্য কৰক, আৰু শৰীৰৰ সম্পৰ্ক সুস্থ বজাই ৰখাৰ অন্ততঃ তিনিটা উপায়ৰ পৰামৰ্শ দিয়ক। (২৪ নং পাঠ চাওক)

**6. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৫০০ শব্দত লিখক।     ৬**

(ক) পৃষ্ঠা নং ৫৬ত , এটা অংক অৱধি পৰীক্ষা দিয়া হৈছে (কাৰ্য্যকলাপ ১)। এই পৰীক্ষা নূন্যতম সাতজন লোকৰ ওপৰত কৰক, আৰু তথ্যসমূহ লিপিবদ্ধ কৰক। সংগ্ৰহ কৰা তথ্যৰ ক্ষেত্ৰত যাদু সংখ্যা 7±2 সত্য হয়নে? যাদু সংখ্যা তত্বৰ ওপৰত ভিত্তি কৰি সংগৃহীত তথ্যৰ প্ৰকৃতিৰ ওপৰত মন্তব্য কৰক। (৬ নং পাঠ চাওক)

(খ) আপোনাৰ আৱাসিক অঞ্চলত যোগ শিবিৰৰ আয়োজন কৰা হৈছে। “ভাৱাতীত ধ্যান অনুশীলন”ৰ দিশটোৰ ওপৰত সজাগতা বিয়পাবৰ নিমিত্তে আপোনাক বক্তা হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। প্ৰদত্ত বিষয়ৰ বাবে এনে ভাষণ প্ৰস্তুত কৰক যাতে সমাজৰ সকলো শ্ৰেণীৰ লোকে তথ্যসমৃদ্ধ আৰু সহজে বুজিব পাৰে। (২৭ নং পাঠ চাওক)

# ডাটা এন্ট্ৰী অ'পাৰেশন (229)
# শিক্ষক অংকিত মূল্যায়ন পত্ৰ

**মুঠ নম্বৰ: ২০**

**টোকা :**

(i) সকলো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্দ্ধাৰিত নম্বৰ প্ৰশ্নবোৰৰ কাষতে দিয়া হৈছে।

(ii) উত্তৰ পত্ৰৰ প্ৰথম পৃষ্ঠাত নিজৰ নাম, ৰোল নম্বৰ, আৰু বিষয় স্পষ্টকৈ লিখক।

**১। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০ – ৬০ টা শব্দত দিয়ক। ২**

(ক) শেখৰে "Notation" নামৰ নতুন ফোল্ডাৰ এটা বনাব বিচাৰিছে, কিন্তু ভুলবশতঃ "Notes" নামৰ ফোল্ডাৰটো বনাইছে। ফোল্ডাৰটোৰ নাম "Notations" কৰিবলৈ কি কি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব পাৰি উল্লেখ কৰক। (পাঠ–২ চাওক)

(খ) ৰাজে নিজে বজাৰৰ পৰা কম্পিউটাৰ হাৰ্ডৱেৰৰ সঁজুলি কিনি সেইসমূহ একত্ৰিত কৰিবলৈ বিচাৰিছে। কম্পিউটাৰ এটা একত্ৰিত কৰিবলৈ প্ৰয়োজনীয় যিকোনো চাৰিটা প্ৰয়োজনীয় অংশ বা সঁজুলিৰ নাম লিখা।কম্পিউটাৰটো একত্ৰিত কৰাৰ পিছত ইনষ্টল/ স্থাপন কৰিবলৈ তলৰ তালিকাৰ পৰা কোনটো চফ্টৱেৰৰ প্ৰথমে প্ৰয়োজন হ'ব তাক লিখা।

ক। ড্ৰাইভাৰ চফ্টৱেৰ ( Driver software)

খ। অপাৰেটিং চিষ্টেম (Operating system)

গ। ৱৰ্ড প্ৰচেচৰ ( word processor)

ঘ। এন্টিভাইৰাচ চফ্টৱেৰ ( Anti - Virus Software)

(পাঠ ২ চাওক)

**২ । তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২**

(ক) শ্ৰুতিয়ে তেওঁৰ কম্পিউটাৰৰ ফাইল, ফোল্ডাৰ আৰু ষ্ট'ৰেজ ডিভাইচৰ শ্ৰেণীবদ্ধ তালিকাখন জানিবলৈ বিচাৰে। বিৱৰণৰ সৈতে ফাইল আৰু ফোল্ডাৰসমূহ চাবলৈ পদক্ষেপ সমূহৰ নিৰ্দেশনা দিয়ক। (পাঠ–২ চাওক)

(খ) তলৰ কী-বৰ্ড চৰ্টকাট কী'সমূহ লিখক।

(i) পেজ ব্ৰেক ( Page break)

(ii) চাবস্ক্ৰিপ্ট ( subscribe)

(iii) আগৰ কোষলৈ যাওক ( go to previous cell)

(iv) ডাবল আণ্ডাৰলাইন ( Doble underline)

(পাঠ-৩ চাওক)

**৩. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০ - ৬০ শব্দত দিয়ক। ২**

(ক) ৰাহুলে এটা নথি( Document) তৈয়াৰ কৰিছে, আৰু তেওঁ আনৰ পৰা নথিখন সুৰক্ষিত কৰিবলৈ বিচাৰিছে। তেওঁ সৃষ্টি কৰা নথিটো সুৰক্ষিত কৰিবলৈ পদক্ষেপসমূহ লিখক। (পাঠ- ৩ চাওক)

(খ) ৱৰ্কশ্বীট ( Worksheet) , আৰু ৱৰ্কবুকৰ (Workbook )মাজত থকা পাৰ্থক্যসমূহ স্পষ্টকৈ লিখক। (পাঠ-৬ চাওক)

**৪। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দত দিয়ক। ৪**

(ক) টাইপিং স্ক্ৰীন অব্জেক্ট, ইনচাৰ্চন পইন্ট, মাউছ পইন্টাৰ, আৰু এণ্ড অব ডকুমেন্টৰ সংজ্ঞা দিয়ক । (পাঠ-৩ চাওক)

(খ) ফ্ৰীজ পেন কি বুজাই দিয়ক। উপযুক্ত উদাহৰণৰ সহায়ত ফ্ৰীজ পেন ব্যৱহাৰ কৰাৰ সুবিধাসমূহ উল্লেখ কৰক। ইয়াৰ বাবে উপযুক্ত কাৰ্যপন্থা সমূহ লিখক। (পাঠ-৬ চাওক)

**৫. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দত দিয়ক। ৪**

(ক) ৰাহুলে নিজৰ কম্পিউটাৰত এটা চফটৱেৰ ইনষ্টল কৰিব বিচাৰিছে। তেওঁক চফ্টৱেৰটো ইনষ্টল কৰাত সহায় কৰক, আৰু তেনে কৰিবলৈ পদক্ষেপসমূহ উল্লেখ কৰক। কিন্তু ৰাহুলে চফ্টৱেৰটো ইনষ্টল কৰাত এটা ভুল কৰিলে, আৰু এতিয়া তেওঁ ইনষ্টল কৰা প্ৰগ্ৰেমটো আঁতৰাব বিচাৰিছে। চফ্টৱেৰটো আনইনষ্টল কৰিবলৈ পদক্ষেপসমূহ তালিকাভুক্ত কৰক। (পাঠ-২ চাওক)

(খ) ৰিচ ৰিক্ৰুটমেন্ট কোম্পানীৰ এইচ আৰ মেনেজাৰ স্বাতীয়ে চাকৰি প্ৰত্যাশী প্ৰাৰ্থী সমূহৰ বায়'ডাটাখিনি স্প্ৰেডশ্বীটত সংৰক্ষণ কৰে। কনিষ্ঠ অভিযন্তা পদৰ বাবে ১৫ গৰাকী প্ৰাৰ্থী আছে । প্ৰাৰ্থীসকলৰ সাক্ষাৎকাৰৰ বাবে চাৰিটা ৰাউণ্ড অনুষ্ঠিত কৰা হয়। পৰিচালকে অনুষ্ঠিত কৰা প্ৰতিটো ৰাউণ্ডৰ সাক্ষাৎকাৰত গোপনীয় মন্তব্যসমূহ এখন স্প্ৰেডশ্বীটত সংৰক্ষণ কৰিব বিচাৰে। তেওঁৰ ৱৰ্কবুকখন সুৰক্ষিত কৰি ৰখাৰ বিভিন্ন উপায় ব্যাখ্যা কৰা। (পাঠ-৬ চাওক)

**৬. তলত দিয়া প্ৰকল্পসমূহৰ ভিতৰত যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰক।** **৬**

**(ক)** তলৰ তালিকাত দেখুওৱাৰ দৰে এটা নতুন ৱৰ্কবুক সৃষ্টি কৰক, আৰু ফাইলটো "Payroll " নাম দি সংৰক্ষণ কৰক।

(i) আকাংক্ষিত ৰূপত সঠিক কোষৰ অৱস্থানত লেবেলসমূহ, আৰু মানসমূহ সুমুৱাওক।

(ii) A4:A8 কোষত কৰ্মচাৰীৰ নম্বৰ ৰাখিবলৈ অটোফিল (Autofill ) ব্যৱহাৰ কৰক।

(iii) স্তম্ভবোৰৰ প্ৰস্থ, আৰু শাৰীবোৰৰ উচ্চতা উপযুক্তভাৱে নিৰ্ধাৰণ কৰক।

(iv) লেবেল প্ৰান্তিককৰণ উপযুক্তভাৱে নিৰ্ধাৰণ কৰক।

(v) ৱাৰ্প টেক্সট ব্যৱহাৰ কৰক, আৰু ইচ্ছা অনুসৰি কোষসমূহ একত্ৰিত ( Merge) কৰক।

vi) টেবুলখনত ইচ্ছা অনুসৰি বৰ্ডাৰ, গ্ৰীডলাইন, আৰু শ্বেডিং প্ৰয়োগ কৰক।

(vii) চৰ্ট ডেট ফৰ্মেটত কোষ B2 ফৰ্মেট কৰক।

(viii) কৰ্মচাৰীজনৰ বাবে মুঠ দৰমহা গণনা কৰা।

(ix) ৱৰ্কশ্বীটখন থন উলম্বভাৱে, আৰু পৃষ্ঠাত অনুভূমিকভাৱে সংহতি কৰক।

(x) নিজৰ কৰ্ম সংৰক্ষণ কৰক। (পাঠ–৬ চাওক)

| | A | B |
|---|---|---|
| **1** | **Payroll** | |
| **2** | **Date :** | |
| **3** | **EMP NO** | **EMP NAME** |
| **4** | E001 | **ৰাহুল** |
| **5** | E002 | **শেখৰ** |
| **6** | | **সংগীতা** |
| | | |

**খ)** নতুন নথি এখন তৈয়াৰ কৰাৰ ক্ষেত্ৰত নথিখন পৰিচালনা কৰিবলৈ অনুপক তেওঁৰ শিক্ষকে নিৰ্দেশ দিয়ে। এটা নথিত বিষয়বস্তু যোগ কৰক, আৰু সেই নথি পিছৰ বাবে সংৰক্ষণ কৰক। এটা নথি সৃষ্টি কৰিবলৈ, এটা নথি সংৰক্ষণ কৰিবলৈ, এটা নথি সম্পাদনা কৰিবলৈ, আৰু এটা নথিৰ পৰা প্ৰস্থান কৰিবলৈ পদক্ষেপসমূহ উল্লেখ কৰক। (পাঠ–৩ চাওক)

# গণিত

# (211)

# শিক্ষক অংকিত মূল্যায়ন পত্ৰ

## Tutor Marked Assignment

**মুঠ নম্বৰ : ২০**
**Max. Marks: 20**

**টোকা:**

(i) সকলো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ বাবে অনুমোদিত নম্বৰ একে ঠাইতে দিয়া হৈছে।

(ii) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাৰ ওপৰত আপোনাৰ নাম নামভৰ্তিৰ নম্বৰ, ৰোল নম্বৰ আৰু বিষয় লিখক।

১। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক। ২

ক) বি এম আই সঠিক কৰাৰ বাবে পুনীতে ৰাতিপুৱা খোজ কাঢ়িবলৈ যায়। তেওঁ এটা ফিটনেছ এপ ব্যৱহাৰ কৰি প্ৰতিদিনে গড়ে কিমান খোজ কাঢ়িলে সেয়া লিখি থয় যাৰ এসপ্তাহৰ ফলাফল তলৰ তালিকাত দিয়া হৈছে

| সোমবাৰ | মঙলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুকুৰবাৰ | শনিবাৰ | ৰবিবাৰ |
|---|---|---|---|---|---|---|
| 3500 | 3000 | 2700 | 3200 | 2300 | 2800 | 4000 |

i. এসপ্তাহত পুনীতে কিমান খোজ কাঢ়িলে তাক হিচাপ কৰক?
ii. সপ্তাহৰ কোনটো দিনত তেওঁ বেছিকৈ খোজ কাঢ়িলে?
এসপ্তাহত গড়ে কিমান খোজ খোজ কাঢ়িলে? (পাঠ ২৩ চাওক)

(খ)

| | | | | |
|---|---|---|---|---|
| $x^2+1$ | $x-3$ | $x^3+x^2+1$ | $x^4+x^2+1$ | $x^4+1$ |
| $4x+3$ | $4x-3$ | $x^2-2x+1$ | $2x^3$ | $5x^3-x^2$ |

ওপৰৰ তালিকাখন চাওক। এজন শিক্ষকে দহজন ছাত্ৰ–ছাত্ৰীক ব্লেক বৰ্ডত বহুপদ লিখিবলৈ ক’লে।


(i) কিমানজন ছাত্ৰই ঘন বহুপদ লিখিছিল?

(ii) বহুপদ x2 –2x+1 টোক বহুপদ x+1 ৰে ভাগ কৰক। (পাঠ– ৩ চাওক)

২ । তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক । ২


(ক) সংখ্যাৰেখাত ক্ৰমে পূৰ্ণসংখ্যা ০,১,২,৩, –১, –২ আৰু –৩ক প্ৰতিনিধিত্ব কৰা বিন্দু O, A, B, C, D, E আৰু F লওক। B ত OBৰ লম্বভাৱে BB'ক এনেদৰে আঁকক যাতে BB' = 1 একক হয়। Oক কেন্দ্ৰ আৰু OB' ক ব্যাসাৰ্ধ হিচাপে লৈ এটা বৃত্তচাপ আঁকিব যিয়ে P ত সংখ্যাৰেখাক ছেদ কৰে। OP ৰ দৈৰ্ঘ্য জুখিব। (পাঠ ১ চাওক)

(খ) কাঁড় চিহ্নটোৱে X ৰ পৰা H লৈ বিলিয়াৰ্ড বলৰ পথ দেখুৱাইছে। XY আৰু ZH সমান্তৰাল পথ। a, b, c, d আৰু e কোণৰ মান বিচাৰক। আপোনাৰ কৰ্ম প্ৰক্ৰিয়া দেখুৱাওক আৰু কাৰণ দিয়ক। (পাঠ– ১০ চাওক)




৩।তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ৪০–৬০ শব্দত দিয়ক । ২


(ক) চতুৰ্ভুজ ABCD ত AO আৰু BO ক্ৰমে ∠A আৰু ∠B ৰ দ্বিখণ্ড। প্ৰমাণ কৰক যে ∠ AOB = 1/2 (∠C+∠D)। (১৩ নং পাঠ চাওক)





(খ) যদি x + 1/x =5 হয়, তেন্তে x^3+1/x^3 ৰ মান বিচাৰক। (পাঠ–৩ চাওক)

৪) তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক। ৪

(ক) চিত্ৰত AB ∥ CD ত, ∠A = 1550, ∠E = 1350 আৰু ∠FCD = x0, তাৰ পিছত x ৰ মান বিচাৰক। (পাঠ–১২ চাওক)





(খ) চিত্ৰত ABC এটা ত্ৰিভুজ আছে য'ত দিয়া হৈছে যে ∠ A = 800, ∠ C = 600, ∠B = 2x0, আৰু ∠ BDC = y0। BD আৰু CD য়ে ক্ৰমে ∠ B আৰু ∠C ক সমদ্বিখণ্ডিত কৰে। x আৰু y ৰ মান গণনা কৰা। (পাঠ–১৪ চাওক)




**5. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০–১৫০ শব্দত দিয়ক।** **৪**

**ক) চিত্ৰত যদি DE ∥ BC আৰু DF ∥ BE য়ে তেন্তে প্ৰমাণ কৰক যে EF/(FB )=CE/EB**




খ) AB আৰু CD হৈছে এটা বৃত্তৰ দুডাল জ্যা । ইয়াত AB = 6 cm, CD = 12 cm আৰু AB ∥ CD। যদি AB আৰু CD ৰ মাজৰ দূৰত্ব 3 cm হয় তেন্তে বৃত্তৰ ব্যাসাৰ্ধ নিৰ্ধাৰণ কৰক। (১৫ নং পাঠ চাওক)

৬। তলত দিয়া দুটাৰ ভিতৰত যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰক। ৬

ক) পৰিয়ালৰ ব্যক্তিৰ সংখ্যা আৰু পৰিয়ালৰ আয়ৰ সন্দৰ্ভত, আপোনাৰ স্থানীয় গাঁৱৰ ৫০টা পৰিয়ালৰ জৰীপ চলাওক।

| পৰিয়ালৰ ক্ৰমিক নম্বৰ | পৰিয়ালৰ সদস্য সংখ্যা | পৰিয়ালৰ বাৰ্ষিক আয় (লাখ হিচাপত ) |
|---|---|---|
| 1 | | |
| 2 | | |
| | | |
| | | |
| 50 | | |

পৰিয়ালৰ সদস্যৰ সৈতে জড়িত তথ্যসমূহ বাৰংবাৰতা উল্লেখ কৰি টেবুলৰ ৰূপত উপস্থাপন কৰা।

(ii) পৰিয়ালৰ গড় আকাৰ গণনা কৰা। গড় পৰিয়ালৰ আকাৰতকৈ কিমানটা পৰিয়াল আছে?

(iii) শীৰ্ষ ১০ টা উপাৰ্জনকাৰী পৰিয়ালৰ বাবে বাৰ গ্ৰাফ অংকন কৰা। (২৪ নং পাঠ চাওক)

(খ) এটা আয়তক্ষেত্ৰ ABCD নিৰ্মাণ কৰক যাৰ বাহু AB = DC = 6 চে.মি. আৰু AD = BC = 2 চে.মি.

(ii) বাহু DCৰ দুই মূৰৰ পৰা ১ চে.মি. দূৰত্বত এটা ট্ৰেপেজিয়াম EFGH নিৰ্মাণ কৰক যাৰ আনটো সমান্তৰাল ফাল ২ চে.মি. আৰু DC পৰা ৩ চে.মি. উচ্চতাত অৱস্থিত।

(iii) বাহু FG ৰ সম দৈৰ্ঘ্যৰ এটা বৰ্গ FIJG নিৰ্মাণ কৰক। I

বাহু I J ৰ মধ্যবিন্দুৰ পৰা ৩ চে.মি. উচ্চতাত অৱস্থিত k বিন্দুক IJ ৰ লগত সংযোগ কৰক।

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক –

ক। কৰ্ণ AC আৰু DB ৰ মান নিৰ্ধাৰণ কৰক ।

খ। ট্ৰেপেজিয়াম EFGH ৰ ক্ষেত্ৰফল নিৰ্ধাৰণ কৰক ।

গ। কৰ্ণ FJ আৰু IG ৰ মান নিৰ্ধাৰণ কৰক ।

ঘ। KI আৰু KJ ৰ মান নিৰ্ধাৰণ কৰক ।

ঙ। ∠IKJ ৰ মান নিৰ্ধাৰণ কৰক।

(পাঠ ১০,১১,১২,১৩, ১৪ চাওক)